“যেতিয়া কোনো মানুহে নিজৰ ঘৰত প্ৰৱেশ কৰে, লগতে প্ৰৱেশ কৰাৰ সময়ত আৰু খোৱাৰ সময়ত আল্লাহৰ নাম লয়, তেতিয়া চয়তানে (তাৰ সহযোগীসকলক) কয়: ইয়াত তোমালোকৰ বাবে ৰাতি কটোৱাৰ কোনো ঠাই নাই আৰু ৰাতিৰ আহাৰ গ্ৰহণৰ বাবেও কোনো উপায় নাই

জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ দ্বাৰা বৰ্ণিত যে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ “যেতিয়া কোনো মানুহে
নিজৰ ঘৰত প্ৰৱেশ কৰে, লগতে প্ৰৱেশ কৰাৰ সময়ত আৰু খোৱাৰ সময়ত আল্লাহৰ নাম লয়, তেতিয়া চয়তানে (তাৰ সহযোগীসকলক) কয়: ইয়াত তোমালোকৰ বাবে ৰাতি কটোৱাৰ কোনো ঠাই নাই আৰু ৰাতিৰ আহাৰ গ্ৰহণৰ বাবেও কোনো উপায় নাই। আনহাতে ঘৰত প্ৰৱেশ কৰাৰ সময়ত যদি
কোনোবাই আল্লাহৰ নাম নলয়, তেতিয়া চয়তানে কয়: তোমালোকে ৰাতি কটাবলৈ ঠাই পাই গ'লা
আৰু যদি আহাৰ কৰাৰ সময়ত আল্লাহৰ নাম নলয় তেতিয়া কয়: তোমালোকে ৰাতি কটাবলৈও ঠাই
পালা আৰু আহাৰ কৰাৰো সুযোগ লাভ কৰিলা।" [ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিৰ্দেশ দিছে যে, ঘৰত প্ৰৱেশ কৰাৰ সময়ত আৰু আহাৰ কৰাৰ সময়ত আল্লাহৰ নাম লব লাগে। অৰ্থাৎ বিছমিল্লাহ বুলি কৈ ঘৰত প্ৰৱেশ কৰিব লাগে তথা পানাহাৰ আৰম্ভ কৰিব লাগে। তেতিয়া চয়তানে তাৰ সহযোগীসকলক কয়ঃ এই ঘৰত তোমালোকৰ ৰাতি যাপন কৰাৰ কোনো সুযোগ নাই আৰু পানাহাৰৰো কোনো সুযোগ নাই। কাৰণ ঘৰৰ গৰাকীয়ে আল্লাহৰ নাম লৈ ঘৰখনক সুৰক্ষিত কৰিছে। আনহাতে যদি কোনোবাই ঘৰত প্ৰৱেশ কৰাৰ সময়ত আল্লাহৰ নাম নলয় আৰু আহাৰ কৰাৰ সময়তো যদি আল্লাহৰ নাম নলয়, তেতিয়া চয়তানে তাৰ সহযোগীসকলক কয়ঃ তোমালোকে ৰাতি থকাৰ ঠাই পাই গ'লা, আৰু এই ঘৰখনত পানাহাৰ কৰাৰো সুবিধা পালা।

https://sunnah.global/hadeeth/as/show/3037